# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-12-2024
**Time :** 0755 Hrs

# *Assamese Morning Bulletin*

oooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লখিমপুৰ জিলাত কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আন কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। উত্তৰ লখিমপুৰৰ চকুলিভৰীয়াত অনুষ্ঠিত এখন ৰাজহুৱা সভাৰ পৰা মুখ্যমন্ত্ৰীগৰাকীয়ে ভাৰ্চুৱেল ব্যৱস্থাৰে ২৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ফটাসুঁতি ঘাটৰ ৰঙানদীৰ পকী দলং উদ্বোধন কৰিব। একেদৰে আজাদত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ সম্পূৰ্ণ হোৱা চৰকাৰী আইন মহাবিদ্যালয়ৰ ভৱনটোও মুখ্যমন্ত্ৰীগৰাকীয়ে উদ্বোধন কৰিব। আনহাতে ১০ কোটি টকা ব্যয় সাপেক্ষে লখিমপুৰৰ চৰকাৰী নাৰ্ছিং মহাবিদ্যালয়ৰ শৈক্ষিক ভৱন আৰু হোষ্টেলৰ আধাৰশিলা স্থাপনৰ লগতে বগীনদীত প্ৰেক্ষাগৃহসহ এটা অতিথিশালাৰ ভূমি পূজনত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰিব।

oooooo

নতুন বিধানসভা সমষ্টিৰ ভিত্তিত নতুন ৰেচন কাৰ্ড বিতৰণৰ দ্বিতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি আনুষ্ঠানিকভাৱে আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লখিমপুৰ বিধান সভা সমষ্টিৰ চকুলিভৰীয়াত ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। আনহাতে ধেমাজিত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ডিব্ৰুগড়ত মন্ত্ৰী প্ৰশান্ত ফুকন, নলবাৰী টিহু সমষ্টিত চন্দ্ৰমোহন পাটোৱাৰী, কাছাৰৰ কাটিগড়া সমষ্টিত কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আদিয়ে ৰেচন কাৰ্ড বিতৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাজ্যৰ ১৬ জিলাৰ মুঠ ৫ লাখ ১৯ হাজাৰ ৩৬৫ গৰাকী হিতাধিকাৰীক দ্বিতীয় পৰ্যায়ত ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব। এই নতুন হিতাধিকাৰীসকলে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত অহা বছৰৰ জানুৱাৰীৰ পৰাই বিনামূলীয়া চাউল লাভ কৰিব।

oooooo

৫৫ সংখ্যক জি এছ টি পৰিষদৰ বৈঠকত কৰ আৰু গাঁথনিৰ পৰিৱৰ্তনৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত ৰাজস্থানৰ জেয়চেলমেৰত অনুষ্ঠিত বৈঠকখনত ক্ষুদ্ৰ কোম্পানীসমূহৰ বাবে নতুন পঞ্জীয়ন প্ৰক্ৰিয়াত অনুমোদন জনোৱা হয়। তদুপৰি ৫০ শতাংশতকৈ অধিক চাদ থকা এ চি চি ব্লকত প্ৰযোজ্য জি এছ টি ১৮ৰ পৰা ১২ শতাংশলৈ হ্ৰাস কৰা হৈছে। আনহাতে পেট্ৰ'ল-ডিজেল চালিত আৰু বৈদ্যুতিকবাহনসহ পুৰণি আৰু ব্যৱহৃত গাড়ীৰ বিক্ৰীত পূৰ্বৰ ১২ শতাংশৰ সলনি ১৮ শতাংশ জি এছ টি প্ৰযোজ্য হ'ব। অৱশ্যে বীমাৰ ক্ষেত্ৰত জি এছ টি সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাবে অধিক সময়ৰ প্ৰয়োজন হ'ব বুলি বৈঠকৰ অন্তত প্ৰকাশ কৰা হয়।

oooooo

কৃষি মন্ত্ৰী অতুল বৰাই কালি যোৰহাটত ২০২৪-২৫ বৰ্ষৰ কৃষক মেলাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰদৰ্শনীদ্বাৰ মুকলি কৰে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কৃষক আৰু কৃষি উদ্যমীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ কৃষিখণ্ডৰ সৰ্বাংগীন উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কৃষি বিভাগে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰে। অসমৰ কৃষিখণ্ডৰ ৰূপান্তৰৰ যাত্ৰাক এই মেলাই নতুন গতি দিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ নৱজাগৰণ মহিলা উৎপাদক কোম্পানীৰ **জাগৃতি** নামৰ এটা ব্ৰেণ্ড মুকলি কৰে। এই অনুষ্ঠানত কৃষিৰ লগতে ইয়াৰ সৈতে জড়িত খণ্ডসমূহলৈ অনবদ্য বহুগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰৰ ন্যায়িক বিভাগে শোণিতপুৰৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ তথা পকচ’ আদালতৰ বিশেষ ন্যায়াধীশ ৰঞ্জু মেধিক বাধ্যতামূলক অৱসৰ প্ৰদান কৰিছে। ইতিমধ্যে নিলম্বিত হৈ থকা শ্ৰীমেধিক ৫৫ বছৰ বয়সত কালিৰে পৰা প্ৰযোজ্য হোৱাকৈ ন্যায়িক বিভাগে অৱসৰ প্ৰদান কৰে। অৱশ্যে এই সন্দৰ্ভত ন্যায়িক বিভাগে জাৰি কৰা নিৰ্দেশনাটোত প্ৰাক্তন ন্যায়াধীশগৰাকীৰ বাধ্যতামূলক অৱসৰৰ কাৰণ উল্লেখ কৰা হোৱা নাই।

০০০০০০

মাহেকীয়া আলোচনী স্বদেশ পটভূমিৰ উদ্যোগত শিৱসাগৰৰ নিতাইপুখুৰীৰ ৰনুৱাবালিত মেজমেল শীৰ্ষক এটা কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত ধ্ৰুপদী অসমীয়া ভাষাৰ ভৱিষ্যত আৰু নতুন প্ৰজন্ম শীৰ্ষক আলোচনাচক্ৰত সাহিত্য একাডেমী বঁটাপ্ৰাপক গল্পকাৰ তথা জ্যেষ্ঠ সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত চিন্তাবিদ ময়ূৰ বৰাকে ধৰি আন বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

গুৱাহাটী জল বোৰ্ডৰ অধীনত মহানগৰৰ ৬৫ হাজাৰ লোকক অহা বছৰৰ মাৰ্চ মাহৰ ভিতৰত পানী সংযোগ প্ৰদান কৰা হ’ব বুলি গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই প্ৰকাশ কৰিছে। জ্যেষ্ঠ সম্পাদক আৰু সাংবাদিকসকলৰ সৈতে **বাৰ্তালাপ** শীৰ্ষক এটা অনুষ্ঠানত ভাগ লৈ কালি তেওঁ জনসাধাৰণৰ জীৱন শৈলীৰ সৰ্বাংগীন উন্নয়নৰ হকে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ পৰ্যালোচনা কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন অংশত হোৱা কৃত্ৰিম বানৰ সমস্যা সমাধানৰ বাবে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে গ্ৰহণ কৰা **বানমুক্ত অভিযান** শীৰ্ষক অভিলাষী আঁচনিত আলোকপাত কৰে। এই ক্ষেত্ৰত তেওঁ শক্তিশালী নিষ্কাষণ ব্যৱস্থা গঢ়ি তোলা তথা গুৱাহাটী মহানগৰীক অধিক স্বচ্ছ আৰু বাসোপযোগী কৰি তোলাৰ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে গুৱাহাটীৰ যান-জঁটৰ সমস্যা সমাধানৰ ক্ষেত্ৰতো ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি মতপ্ৰকাশ কৰে। প্ৰতিখন ঘৰতে বিশুদ্ধ খোৱাপানী যোগানৰ লক্ষ্যৰে চৰকাৰে আৰম্ভ কৰা জলজীৱন মিছনৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ ৮২ শতাংশ ঘৰত নলযোগে পানীসংযোগ প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত প্ৰয়োজনীয় অঞ্চল চিনাক্তকৰণত সংবাদমাধ্যমে বিশেষ ভূমিকা পালন কৰিছে বুলি শ্ৰীবৰুৱাই উল্লেখ কৰে। চৰকাৰ আৰু

জনসাধাৰণৰ মাজত থকা যোগাযোগৰ ব্যৱধান দূৰ কৰাত সংবাদমাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে লগতে মন্তব্য কৰে।

০০০০০০

**সমাপ্ত**